**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-03-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
--------------------

অসমৰ ৮২ হাজাৰ ৭৫২ হেক্টৰ ভূমি চুবুৰীয়া ৰাজ্যৰ দখলত আছে বুলি সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰাই কালি বিধানসভাত প্ৰকাশ কৰে। ৰাজ্যখনৰ সৰ্বাধিক ৫৯ হাজাৰ ৪৯০ হেক্টৰ ভূমি নাগালেণ্ডৰ দখলত আছে। একেদৰে অৰুণাচল প্ৰদেশে ১৬ হাজাৰ ১৪৪, মেঘালয়ে ৩ হাজাৰ ৪৪১ আৰু মিজোৰামে ৩ হাজাৰ ৬৭৫ হেক্টৰ ভূমি দখল কৰি আছে। মন্ত্ৰীগৰাকীয়ে কয় যে  এই ভূমিসমূহ দখলমুক্ত কৰাৰ লগতে ৰাজ্যসমূহৰ সৈতে দীৰ্ঘদিনীয়া সীমা বিবাদ নিষ্পত্তি কৰাৰ বাবে আলোচনা অন্তিম পৰ্যায়ত আছে। কংগ্ৰেছৰ বিধায়ক ৰেকিবউদ্দিন আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী শ্ৰীবৰাই কালি বিধানসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অসম-মেঘালয় আৰু অসম-অৰুণাচল প্ৰদেশৰ বুজাবুজিৰ চুক্তি মতে ভাৰতীয় জৰীপ বিভাগে বৰ্তমান ভূমি জৰীপৰ কাম কৰি আছে আৰু এই জৰীপৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতহে ভূমিৰ সম্পূৰ্ণ তথ্য পোৱা যাব। মন্ত্ৰীগৰাকীয়ে কয় যে অসম-মেঘালয়ৰ মাজত ১২টা এলেকাত সীমা বিবাদ আছে। এই ১২টা এলেকাৰ ভিতৰত প্ৰথম পৰ্যায়ত ছটা অঞ্চলৰ বাবে তিনিখনকৈ আঞ্চলিক সমিতি গঠন কৰা হৈছে আৰু দুয়োখন ৰাজ্যৰে আঞ্চলিক সমিতিসমূহে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ সৈতে আলোচনা কৰি পাৰস্পৰিক মত বিনিময়েৰে নিজ নিজ চৰকাৰক প্ৰতিবেদন দাখিল কৰিছে। সেই অনুযায়ী দুয়োখন ৰাজ্যৰ চৰকাৰৰ যুঁটীয়া সিদ্ধান্ত মৰ্মে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মেঘালয়ে দাবী কৰা ছটা অঞ্চল সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছিল। অসম-অৰুণাচল প্ৰদেশৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্য চৰকাৰে ১২খনকৈ আঞ্চলিক সমিতি গঠন কৰিছে। এই সমিতিসমূহেও প্ৰতিবেদন দাখিল কৰিছে। অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩খন গাঁও সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত ইতিমধ্যে চুক্তিও সম্পাদন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

oooooo

অসম চৰকাৰে ২০২২ বৰ্ষৰ পৰা চলিত বছৰলৈ ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অবৈধভাৱে খনন আৰু সৰবৰাহ কৰা ২৫ হাজাৰ ৬৩১ টন কয়লা জব্দ কৰিছে। বিধানসভাত কালি ৰাইজৰ দলৰ বিধায়ক অখিল গগৈৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই বিষয়ে প্ৰকাশ কৰে। আন এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাত ২৬৭টা এন্দুৰৰ গাঁতসদৃশ কয়লা খনি আছে বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে ২০১৪ চনত এনে ধৰণৰ কয়লা খনিত খনন নিষিদ্ধ ঘোষণা কৰিছিল। ৰাজ্য চৰকাৰে বিগত তিনি বছৰত অবৈধ খনন ৰোধ কৰিবলৈ সময়ে সময়ে ব্যৱস্থা লৈ আহিছে আৰু ইয়াৰ বাবে আৰক্ষী সঞ্চালক প্ৰধানৰ নেতৃত্বত এখন নিৰীক্ষণ সমিতি

গঠন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। ডিমা হাছাও জিলাৰ উমৰাংছ’ত যোৱা ৬ জানুৱাৰীত এনে ধৰণৰ এটা খনিত কয়লা খননৰ সময়ত ৯জন শ্ৰমিকৰ মৃত্যু হৈছিল। মৃত শ্ৰমিকসকলৰ পৰিয়ালসমূহলৈ ১০ লাখকৈ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰা হৈছে আৰু ইয়াৰে চাৰিটা পৰিয়ালক ইতিমধ্যে ধন আদায় দিয়া হৈছে মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

oooooo

ৰাজ্যৰ মিচিং জনগোষ্ঠী বসতিপ্ৰধান বিভিন্ন অঞ্চলত কালিৰে পৰা জনগোষ্ঠীটোৰ অন্যতম কৃষিভিত্তিক উৎসৱ পঃৰাগ বা নৰা-ছিগা বিহু উদ্‌যাপন কৰা হৈছে। ধেমাজি জিলাৰ জোনাইৰ অৰুণাচল সীমান্তৰ পুৰণা জেলমগাঁৰত কালিৰেপৰা তিনিদিনীয়াকৈ এই উৎসৱ অনুষ্ঠিত কৰা হৈছে। উল্লেখযোগ্য যে জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰা অনুসৰি সৃষ্টিকৰ্তা, মাতৃ, পৃথিৱী তথা পূৰ্বপুৰুষক তুষ্ট কৰাৰ বাবে এই উৎসৱ পালন কৰি আহিছে। ডেকা-গাভৰুসকলৰ নেতৃত্বত আয়োজন কৰা এই উৎসৱলৈ দূৰণিলৈ বিয়া হৈ যোৱা জীয়ৰীসকলৰ লগতে জোঁৱাইসকলকো নিমন্ত্ৰণ কৰি আদৰণি জনোৱা হয়। সকলোকে সুস্বাদু খাদ্যৰে আপ্যায়ন কৰি ডেকা-গাভৰুসকলে নৃত্য-গীত পৰিৱেশন কৰে। গাঁওখনৰ পৰা অপায়-অমংগল দূৰ কৰাৰ বাবে পৰম্পৰাগত বিশ্বাসেৰে এই পঃৰাগ উৎসৱ বা নৰা-ছিগা বিহু পালন কৰা হয়। চিলাপথাৰৰ কুলাজানৰ শীতলমাৰী গাঁৰত ১১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ নৰা ছিগা বিহু উদযাপনৰ প্ৰস্তুতি চলিছে। এই উৎসৱৰ অংশ হিচাপে শীতলমাৰী শীৰ্ষক এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ’ব। উল্লেখযোগ্য যে বসন্তৰ আদৰণি উৎসৱ হিচাপে মিচিং জনগোষ্ঠীৰ লোকসকলে ধৰ্মীয় পৰম্পৰা তথা কলা-সংস্কৃতিৰ সমাহাৰেৰে এই উৎসৱ পালন কৰে।

oooooo

যোৰহাট জিলা কৃষি বিভাগৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ কৃষক মেলা অনুষ্ঠিত হৈছে। জিলাখনৰ অতিৰিক্ত আয়ুক্ত পংকজ বৰাই কৃষক পঞ্জীয়ন কাৰ্যসূচীৰ বিষয়ে অৱগত কৰি কয়, যে অনাগত সময়ত কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ কৃষক পঞ্জীয়ন বাধ্যতামূলক হ’ব পাৰে। তেওঁ জিলাখনৰ কৃষি, পশুপালন আৰু পশু চিকিৎসা, ৰেচম, মীন, কৃষক উৎপাদক কোম্পানী, কৃষক গোটকে ধৰি সকলোকে একগোট হৈ কাৰ্য ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত জিলাখনৰ ১৩ জন কৃষকক সম্বৰ্দ্ধনা জনোৱা হয়। এই মেলাত জিলাখনৰ প্ৰগতিশীল কৃষকসকলে উৎপাদন কৰা বিভিন্ন কৃষিজাত সামগ্ৰী, কৃষি সা-সঁজুলি আদি প্ৰদৰ্শন কৰা হৈছে।

oooooo

সমাপ্ত